**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-12-2024 **Time :** 1205 Hrs.

## Assamese Midday Bulletin

000000

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত নতুন মন্ত্ৰীকেইগৰাকীৰ শপত গ্ৰহণ অনুষ্ঠান চলি আছে। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক নতুনকৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হৈছে। আজি সন্ধিয়াৰ ভিতৰত মন্ত্ৰীসকলৰ বিভাগসমূহ ঘোষণা কৰাৰ সম্ভাৱনা আছে।

0000000

অহা বছৰৰ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় শীৰ্ষক বিনিয়োগকাৰী সন্মিলনৰ আয়োজন কৰাত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক সৰ্বতোপ্ৰকাৰে সহায় কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা প্ৰকাশ কৰে। এক্স হেণ্ডেলৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমলৈ বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাবে আয়োজন কৰা এডভাণ্টেজ আছাম ২০২৫ত কেন্দ্ৰীয় চৰকাৰে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। এই সন্মিলনত অংশগ্ৰহণৰ বাবে প্ৰতিটো মন্ত্ৰালয়ে ইচ্ছা প্ৰকাশ কৰিছে বুলিও মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। এই সন্মিলনত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন, বিদেশ পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ আৰু অন্যান্য কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। এই বিনিয়োগকাৰী সন্মিলন সকলো ফালৰ পৰা সফল কৰি তোলাৰ ক্ষেত্ৰত সকলো কেন্দ্ৰীয় মন্ত্ৰীয়ে তেওঁলোকৰ অংশগ্ৰহণ আৰু সহযোগিতাৰ নিশ্চিতি দিছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে প্ৰধানমন্ত্ৰীৰ লগতে সকলো কেন্দ্ৰীয় মন্ত্ৰী আৰু সকলো চৰকাৰী পক্ষই বিকশিত অসম গঢ়াত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ কয় যে অসমে বিভিন্ন ক্ষেত্ৰৰ সংস্কাৰ সাধন আৰু নাগৰিক-কেন্দ্ৰিক শাসনৰ আৰ্হিৰে নিদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰে আৰু তেওঁ সন্মিলনত উপস্থিত থকাৰ বাবে আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰীয়ে এই বিনিয়োগকাৰী সন্মিলনখন উদ্বোধন কৰিবলৈ সন্মত হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এডভাণ্টেজ অসম দ্বিতীয় শীৰ্ষক এই বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনখনৰ জৰিয়তে অসমৰ বৰ্ণাঢ্য সংস্কৃতিক বিশ্ব মঞ্চত তুলি ধৰাৰ প্ৰচেষ্টা কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অহা বছৰৰ ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া এই সন্মিলনত অসমৰ চাহ জনগোষ্ঠীয় পৰম্পৰাগত নৃত্য ঝুমুৰত বিশেষ গুৰুত্ব দিয়া হ'ব। এই সন্মিলনত ৭ হাজাৰ ৫০০ৰো অধিক শিল্পীয়ে ঝুমুৰ পৰিবেশন কৰিব।

000000

গোলাঘাটৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত কালিৰে পৰা শ্ৰীমন্ত শংকৰদেৱ যুৱ আৰু সামাজিক উন্নয়ন সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনখনত দেশৰ ১৫খন ৰাজ্যৰ লগতে আন ৯খন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ-কৰ্মৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে এগৰাকী সমাজ সংস্কাৰক হিচাপে বিশ্বৰ প্ৰেক্ষাপটত শংকৰদেৱক প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰেই সন্মিলনখনৰ

আয়োজন কৰা হৈছে। সামাজিক উন্নয়ন ফ'ৰামৰ উদ্যোগত আৰু সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, দেৰৰাজ ৰয় মহাবিদ্যালয়, সৰুপথাৰ মহাবিদ্যালয় আৰু মৰঙি মহাবিদ্যালয়ৰ সহযোগত আয়োজিত এই সন্মিলনখনত জলবায়ু পৰিৱৰ্তন আৰু হাতী-মানুহৰ সংঘাত সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

ooooo

ৰাজ্যত ৬ জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত গুণোৎসৱ ২০২৫ অনুষ্ঠিত হ'ব। এইবাৰৰ গুণোৎসৱত ৰাজ্যৰ ৩৫খন জিলাৰ ৪৪ হাজাৰ ৯৪ খন বিদ্যালয়ৰ প্ৰথমৰ পৰা নৱম শ্ৰেণীৰ মুঠ ৩৯ লাখ ৬৫ হাজাৰৰো অধিক শিক্ষাৰ্থীক সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ত ১১ খন জিলা ক্ৰমে বৰপেটা, বজালী, শ্ৰীভূমি, কামৰূপ, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, দক্ষিণ শালমাৰা মানকাচৰ আৰু ওদালগুৰি জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। ৬ জানুৱাৰীত স্বমূল্যায়ন আৰু ৭ৰ পৰা ৯ জানুৱাৰীত বহিঃমূল্যায়ন কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ১৭ জানুৱাৰীত বাক্সা, চিৰাং, চৰাইদেউ, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে ১৭ জানুৱাৰীত স্বমূল্যায়ন আৰু ২০ৰ পৰা ২২ জানুৱাৰীত বহিঃমূল্যায়ণ কৰা হ'ব। তৃতীয় পৰ্যায়ত ৫ ফেব্ৰুৱাৰীত বঙাইগাঁও, বিশ্বনাথ, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাছাও আৰু মাজুলীত এই ১০ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। ৫ ফেব্ৰুৱাৰীত এই জিলাকেইখনৰ বিদ্যালয়ৰ স্বমূল্যায়নৰ আৰু ৬ৰ পৰা ৮ ফেব্ৰুৱাৰীত বহিঃমূল্যায়ন কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত গুণোৎসৱ ম'বাইল এপ আৰু প'ৰ্টেল মুকলি কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে গুগল প্লে ষ্টোৰৰ পৰা ডাউনলোড কৰিব পৰা এই এপত ইউনিফৰ্মৰ মূল্যায়নকে ধৰি বহিঃমূল্যায়নকাৰী সকলৰ সকলো পৰ্যবেক্ষণ প্ৰতিবেদনৰ ৰূপত অন্তৰ্ভুক্ত হ'ব। প'ৰ্টেল আৰু ম'বাইল এপটোৱে বহিঃমূল্যায়নকাৰী আৰু প্ৰধান শিক্ষকে হাতেৰে কৰিবলগা কাম বহুখিনি লাঘৱ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। গুণোৎসৱ স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰি ডাঃ পেগুৱে কয়, যে মূল্যায়নকাৰীসকলৰ পৰা এই ক্ষেত্ৰতো এটা মূল্যায়ন বিচৰা হৈছে। এইবাৰ স্বচ্ছ-নিকাভাৱে কৰা মূল্যায়নকো স্বীকৃতি দিয়া হ'ব আৰু বিদ্যালয় এখনৰ গ্ৰেডিঙৰ ক্ষেত্ৰত অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ বিষয়টোও সামৰি লোৱা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে মূল্যায়ন পৰিচালনাত অধিক স্বচ্ছতা দেখুওৱা জিলাসমূহক বঁটা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

oooooo

**সমাপ্ত**